# পোহৰ , ছাঁ আৰু প্ৰতিফলন

# পাঠ: ১১

# পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন : – ১) অস্বচ্ছ বস্তুৰ বিষয়ে বুজি পাবলৈ তলৰ কাঁচবোৰ পুনৰ সজাই এটা বাক্য বনোৱা ।

OWS, AKE, OPAQ, UEO, BJEC, TSM, SHAD

**উত্তৰঃ –** OPAQ, UEO, BJEC, TSM, AKE, SHAD, OWS

প্ৰশ্ন : – ২) তলত দিয়া বস্তু বা সঁজুলিবোৰ অস্বচ্ছ , স্বচ্ছ বা ঈষৎ স্বচ্ছ আৰু উজ্জ্বল বা অনুজ্জ্বল এইদৰে শ্ৰেণীবিভাগ কৰা :

বায়ু , শিলগুটি , এচটা এলুমিনীয়াম , এখন দাপোন , এখন কাঠৰ বৰ্ড , এখিলা পলিথিন , এখন চিডি , এখন সমতল দাপোন , কুঁৱলী , ৰঙাকৈ গৰম কৰা এটুকুৰা লো , এটা ছাটি , ধোঁৱা , এটা জ্বলি থকা প্ৰতিপ্ৰভা টিউব লাইট , এখন বেৰ , এখিলা কাৰ্বন পেপাৰ , গেছ বাৰ্ণৰৰ শিখা , এখন কাৰ্ড বৰ্ড , এটা জ্বলি থকা টৰ্চ , এটা চেলফোন তাৰৰ জালি , কেৰাচীনৰ ষ্টভ , সূৰ্য , জোনাকী পৰুৱা , চন্দ্ৰ ।

**উত্তৰঃ –** ক) স্বচ্ছ : বায়ু , এচটা কাংচ , এটা চেল’ফোন ।

খ)ঈষৎ স্বচ্ছ : এখিলা পলিথিন , কুঁৱলী , ধোঁৱা , তাৰ ।

গ) অস্বচ্ছ : শিলগুটি , এচটা এলুমিনীয়াম , কাঠৰ বৰ্ড , এখন চিডি , ছাটি , দেৱালা ।

ঘ) উজ্জ্বল বস্তু : ৰঙাকৈ গৰম কৰা এটুকুৰা লো , পাতল ফ্লুৰ’চেণ্ট টিউব , গেছৰ বাৰ্ণাৰ , জ্বলাই ৰখা টৰ্চ , কেৰাচিনৰ ষ্টোভ , সূৰ্য , জোনাকী পৰুৱা , চন্দ্ৰ ।

প্ৰশ্ন : – ৩) এনে এটা আকৃতিৰ বস্তু তৈয়াৰ কৰাৰ কথা ভাবিব পাৰিনে যিটো এটা দিশত ৰাখিলে ঘূৰণীয়া ছাঁৰ সৃষ্টি কৰে আৰু আন এটা দিশত ৰাখিলে আয়তাকাৰ ছাঁৰ সৃষ্টি কৰে ?

**উত্তৰঃ –** পাৰি । উদাহৰণ স্বৰূপে এটা চিলিণ্ডাৰ , এখন বৃত্তাকাৰ থাল ৰাখিলে এনে ঘটনা সংঘটিত হব ।

প্ৰশ্ন : – ৪) এটা সম্পূৰ্ণ আন্ধাৰ কোঠাত যদি তুমি তোমাৰ সন্মুখত দাপোনখন ধৰা তেতিয়া তোমাৰ প্ৰতিবিম্ব দেখা পাবানে ?

**উত্তৰঃ –** পোহৰ নথকাৰ বাবে কোনো প্ৰতিবিম্ব গঠন নহয় ।